# 10 মই দিনটো কেনেকৈ পাৰ কৰো?




QRickit


0124CH10




বন্ধুসকল, মোৰ নাম পিহো।
মোৰ বয়স ৬ বছৰ।
আজি মই ৰাতিপুৱাৰ পৰা ৰাতিলৈকে কি কি কৰো, মোৰ দিনপঞ্জীৰ বিষয়ে তোমালোকক কম।



চোৱা, আকাশত বেলি ওলাইছে।
এতিয়া ৰাতিপুৱা হৈছে।



মই শুই উঠো আৰু এগিলাচ গৰম পানী খাওঁ।




মোৰ দিনটো আৰম্ভ হয় যোগাভ্যাস আৰু ব্যায়ামৰ জৰিয়তে



তাৰ পাচত মই দাঁত ব্ৰাচ কৰো আৰু গা ধুওঁ।

মই ৰাতিপুৱাৰ আহাৰ গ্ৰহণ কৰো আৰু বিদ্যালয়লৈ যাবলৈ সাজু হওঁ।






© NCERT not to be republished


মই বিদ্যালয়ত অধ্যয়ন কৰো আৰু সহপাঠীৰ সৈতে খেলো।






এতিয়া বেলি আকাশৰ ওপৰত। এইয়া দুপৰীয়া সময়। মই হাত ধুই বন্ধুৰ সৈতে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰো।

মই বিদ্যালয়ৰ পৰা ঘৰলৈ আহো অলপ সময় জিৰণি লওঁ।








চোৰা, বেলি ডুবিবলৈ গৈ আছে। আবেলি হৈছে। মই মোৰ বন্ধুৰ লগত খেলো আৰু তাৰ পাছত পঢ়িবলৈ বহো।


আকাশলৈ চোৱা, জোন-তৰাবোৰ ওলাইছে। এতিয়া ৰাতি হৈছে।





মই মোৰ পৰিয়ালৰ সৈতে ৰাতিৰ আহাৰ গ্ৰহণ কৰো।

মই এখন সাধু কিতাপ পঢ়ো আৰু শুবলৈ যাওঁ।



© NCERT not to be republished



## কথা পাতো আহা

ক. তোমাৰ দিনপঞ্জীৰ বিষয়ে কোৱা?
খ. তুমি কেতিয়া দাঁত ব্ৰাচ কৰা?
গ. তুমি কেতিয়া গা ধুৱা?



## কৰো আহা

ক. তুমি ৰাতিপুৱা কৰা কাৰ্যসমুহত ✓ চিন দিয়া।

খ. তুমি দিনত কৰা কাৰ্যসমুহত ✓ চিন দিয়া।


   


গ. তুমি ৰাতিপ কৰা কাৰ্যসমুহত ✓ চিন দিয়া।


   

© NCERT not to be republished

**ছবিখন চাই এইয়া দিনটোৰ কোনটো সময় অনুমান কৰা।**
**তুমি সেই সময়ত কি কৰা বন্ধুৰ লগত আলোচনা কৰা।**











## কৰো আহা


**কোনটো কাম কৰিবলৈ বেছি সময় লাগে সেইটোত ৰং কৰা।**

ক.






খ.





© NCERT not to be republished

# ঋতুবোৰ



গ্ৰীষ্ম



বসন্ত



বৰ্ষা



শীত

ছবিখনলৈ চোৱা আৰু গ্ৰীষ্ম, শীত, বসন্ত আৰু বৰ্ষা ঋতুৰ মাজৰ পাৰ্থক্যবোৰ আলোচনা কৰা।

**ঋতুৰ সৈতে বস্তুবোৰ মিলোৱা।**

বৰ্ষা

বসন্ত




গ্ৰীষ্ম

শীত

© NCERT not to be republished

## কথা পাতো আহা

ক. তুমি গ্ৰীষ্মকালত কি খাবলৈ ভাল পোৱা ?


খ. তুমি শীতকালত কি পিন্ধিবলৈ ভাল পোৱা ?

## কৰো আহা

**ঋতুবোৰৰ নাম লিখা আৰু ছবিৰ সৈতে মিলোৱা।**





















© NCERT not to be republished

## প্ৰকল্প

ছাত্ৰ-ছাত্ৰীসকলে বেলেগ বেলেগ ঋতুত কি খাবলৈ ভাল পায় ছবি আঁকিবলৈ নাইবা ছবি আঠা লগাবলৈ কওক আৰু এই ঋতুকেইটাত কি কি উৎসৱ পালন কৰা হয় তাৰো ছবি আকিবলৈ কওক।